জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮০৮/২০২০

# ডিব্ৰুগড়ত জিলা সংগ্ৰহালয়ৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## ৰাজ্যৰ চহকী ঐতিহ্যৰ সংৰক্ষণ আৰু উপস্থাপনৰ দিশত অসমৰ দ্বিতীয় সৰ্ববৃহৎ এই সংগ্ৰহালয়ে বিশেষ ভূমিকা পালন কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ ৰাইজৰ এক দীৰ্ঘদিনীয়া দাবী বাস্তৱায়িত কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত জিলা সংগ্ৰহালয়ৰ নৱনিৰ্মিত ভৱনটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ৩.৪৩ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা এই তিমিমহলীয়া ভৱনটোত ছয়টা গেলাৰী, এটা পাকিং স্থলী, এটা প্ৰেক্ষাগৃহ, কাৰ্যালয় কক্ষ আদিৰ ব্যৱস্থা ৰখা হৈছে। প্ৰস্তাৱিত ছয়টা গেলাৰীৰ ভিতৰত পুৰাতত্ত্ব বিষয়ক গেলাৰীটো ৰাইজৰ দৰ্শনৰ বাবে এতিয়া সম্পূৰ্ণ হৈ উঠিছে। এই গেলাৰীটো অসম ৰাজ্যিক সংগ্ৰহালয় ব্যৱস্থাপনা সমাজৰ উদ্যোগত ১১ লাখ টকা ব্যয়ৰে গঢ়ি তোলা হৈছে। স্মৰ্তব্য যে ১৯৮৭ চনৰ ১৬ মাৰ্চতে প্ৰতিষ্ঠা কৰা ডিব্ৰুগড় জিলা সংগ্ৰহালয়ৰ কাম-কাজ ইমান বছৰে জিলা পুথিভঁৰাল ভৱনৰ পৰাই পৰিচালিত হৈ আহিছিল।

নৱনিৰ্মিত ভৱনটি উদ্বোধনৰ পাছতে মুখ্যমন্ত্ৰী সোণোৱালে পুৰাতত্ত্ব বিষয়ক গেলাৰীটো পৰিদৰ্শন কৰে। এই গেলাৰীত প্ৰাচীন আৰু মধ্যযুগীয়া হিন্দু মঠ-মন্দিৰসমূহ তথা অসমৰ পুৰতাত্বিক স্থানসমূহৰ ভগ্নাৱশেষত প্ৰাপ্ত নন্দনতত্ত্ব আৰু প্ৰকৃতিৰ ওপৰত আধাৰিত শিলা আৰু পোৰামাটিৰ লিপি তথা ভাস্কৰ্যসমূহৰ প্ৰতিনিধিত্বমূলক বুৰঞ্জী উপস্থাপন কৰা হৈছে। এই গেলাৰীত প্ৰাপ্ত এটা অতি উল্লেখযোগ্য সামগ্ৰী হৈছে আনুমানিক ৬৭৫-৭২৫ খ্ৰীষ্টাব্দৰ সময়ৰ এক শিলালিপি। ইয়াৰ বাহিৰেও এই গেলাৰীত নৃগোষ্ঠীয় ঐতিহ্য, পৌৰাণিক মুদ্ৰা, অস্ত্ৰ-শস্ত্ৰ, বস্ত্ৰ, পৌৰাণিক লিপি আদিও ৰখা হৈছে।

এই কাৰ্যসূচীৰ পাছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই ভৱন উন্মোচনৰ জৰিয়তে ডিব্ৰুগড় জিলাৰ ৰাইজৰ এক দীৰ্ঘদিনীয়া দাবীয়ে সাকাৰ ৰূপ পালে। গুৱাহাটীস্থিত ৰাজ্যিক সংগ্ৰহালয়ৰ পিছতে ৰাজ্যৰ দ্বিতীয় সৰ্ববৃহৎ এই সংগ্ৰহালয় ৰাজ্যখনৰ চহকী ঐতিহ্যৰ সংৰক্ষণ আৰু উপস্থাপনৰ দিশত এক উপযুক্ত মঞ্চ হিচাপে পৰিগণিত হ'ব। এই সংগ্ৰহালয়ৰ সমলসমূহৰ পৰা ছাত্ৰ-ছাত্ৰী আৰু গৱেষকসকলো যথেষ্ট লাভান্বিত হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

আজিৰ কাৰ্যসূচীত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, বিধায়কসকলে ক্ৰমে প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা আৰু তেৰচ গোৱালা, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডিপু ৰঞ্জন মাক্ৰাৰী, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব মাধুৰিমা সেন বৰুৱা, উপায়ুক্ত পল্লৱ গোপাল ঝা, সংগ্ৰহালয়সমূহৰ সঞ্চালকৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

**বীঃগঃ / প্ৰঃকুঃবঃ**
**২/১২/২০২০**